**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

-----------------------

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যত ব্যাপক উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। যোৱা দুটা দিনত বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ বজাৰসমূহত বিশেষকৈ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো শাৰদীয় দুৰ্গা পূজাৰ উৎসাহ-উদ্দীপনা তথা ব্যস্ততা দেখা গৈছে। ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

০০০০০০

উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত কাইলৈ আৰু পৰহিলৈ আঞ্চলিকৰ অন্তৰ্গত শাখা মইনা পাৰিজাতসমূহৰ মইনাসকলৰ অংশগ্ৰহণেৰে দুদিনীয়া **ৰবটিক্স আৰু এৰ'ম'ডেলিং** শীৰ্ষক এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত প্ৰায় ৬০ গৰাকী মইনাই অংশগ্ৰহণ কৰে। সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী বৰ্ষৰ বিভিন্ন কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা কৰ্মশালাখনিৰ অংশগ্ৰহণকাৰী মইনাসকলক জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বিজ্ঞান মেললৈ আঞ্চলিকৰ পৰা নিৰ্বাচন কৰি পঠোৱা হ'ব বুলিও আয়োজকসকলে জানিবলৈ দিছে।

০০০০০০

গোলাঘাট জিলাৰ জিলা আয়ুক্তৰ সভাগৃহত কালি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত জিলাখনত ৰেচন কাৰ্ডৰ প্ৰ-পত্ৰ সংগ্ৰহ আৰু ডিজিটাইজেশ্বন সম্পৰ্কে এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত হোৱা পৰ্যালোচনা সভাত জিলাখনৰ প্ৰতেক্যটো বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰ-পত্ৰ সংগ্ৰহৰ খতিয়ান লোৱাৰ লগতে প্ৰ-পত্ৰসমূহৰ ডিজিটাইজেশ্বন আৰু পৰীক্ষণ সম্পৰ্কে বিতংকৈ আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকী চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলক পৰিকল্পনা আৰু প্ৰয়োজনীয় ব্যৱস্থাৰে নিৰ্ধাৰিত সময়ৰ ভিতৰত সকলো কাম শেষ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি জনতা ভৱনত অসম কলেজ শিক্ষক সন্থাৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত মিলিত হয়। সভাত কলেজ শিক্ষকসকলৰ পদোন্নতি, দৰমহা সুৰক্ষা আৰু আন কেইবাটাও আনুসংগিক বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ সময়ত কলেজ শিক্ষক সন্থাৰ প্ৰতিনিধিৰ দলটোৱে তেওঁলোকে বিগত সময়ত সন্মুখীন হৈ অহা বিভিন্ন সমস্যাসমূহৰ বিষয়ে শিক্ষামন্ত্ৰীগৰাকীক অৱগত কৰে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিব। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হ'ব। লগতে নিত্যা মেনেনক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হ'ব।

ইপিনে অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হ'ব। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনাক নিৰ্বাচন কৰা হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হ'ব। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পীৰ বঁটা প্ৰদান কৰা হ'ব। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুথিকে ধৰি পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০

ভাৰতীয় পুৰুষ ক্ৰিকেট দলটো চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো ইতিমধ্যে তিনিখন খেলৰ শৃংখলাত ১-০ ফলাফলেৰে আগবাঢ়ি আছে। দেওবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে আলহী দলটোৰ বিৰুদ্ধে ৭ উইকেটত বিজয় সাব্যস্ত কৰিছিল।

০০০০০০

সমাপ্ত